# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI

0000000000

**Date : 17-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত পুনৰ ৩ লাখ ৭৬ হাজাৰ বাসগৃহত অনুমোদন জনাইছে। কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত  প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ কৃষিভূমি পৰীক্ষাৰ বাবে কৃষি বিজ্ঞানীৰ ৫৬ টা দল গঠন কৰিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে **লখিমী মিস্ত্ৰী** আঁচনিৰ লগতে ২১ টা কৃষিজ্ঞানকেন্দ্ৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ নিৰ্মাণৰ ব্যাপক প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ কৃষি উন্নয়নৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে বুলি ড০ শৰ্মাই মন্তব্য কৰে। তেঁও কয় যে কৃষি আৰু গ্ৰামোন্নয়ন বিভাগে নিষ্ঠাৰে কাম কৰাৰ ফলত আজি ৰাজ্যত  গ্ৰাম্য অৰ্থনীতিৰ ভেটি শক্তিশালী হৈ পৰিছে। তেওঁ কয়, যে অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাৰ হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ বিতৰণ কৰা হ'ব। সেই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিকেজি মচুৰ দাইল ৬৯ টকা, চেনি ৩৮ টকা আৰু নিমখ ১০ টকা দৰত লাভ কৰিব।

অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে।

০০০০

ৰাজ্যই ২০২৪-২৫ খাৰিফ বিপনন বৰ্ষত কৃষকৰ পৰা প্ৰায় ৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰি বৃহৎ মাইলৰ খুটি স্পৰ্শ কৰিছে। ইয়াৰ বাবদ  ৪০ হাজাৰতকৈও অধিক কৃষকৰ বেংক একাউণ্টলৈ এহেজাৰ ১৮০ কোটিতকৈও অধিক ধনৰাশি পোনপতীয়াকৈ হস্তান্তৰ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। জুন মাহৰ আগতে ধান ক্ৰয়ৰ ক্ষেত্ৰত এশ শতাংশ সফল হ'ব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০

ৰাজ্যৰ মুখ্য সচিব তথা ৰাজ্যিক কাৰ্যবাহী কমিটিৰ অধ্যক্ষ ড° ৰবি কোটাই আজি দিশপুৰত অনুষ্ঠিত এখন  বৈঠকত বান প্ৰস্তুতি পৰ্যালোচনা কৰে। বৈঠকত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জ্ঞানেন্দ্ৰ দ্বি ত্ৰিপাঠিয়ে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰাধিকৰণে গ্ৰহণ কৰা

ব্যৱস্থাৰ বিষয়ে বিশদ উপস্থাপন আগবঢ়ায়। ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰে পৰা ৪ দিনলৈ ৰাজ্যৰ দক্ষিণ আৰু পশ্চিম প্ৰান্তৰ জিলাসমূহত ধাৰাষাৰ বৰষুণ হব পাৰে বুলি আগলিবতৰা দিছে। অৱশ্যে ১৫ জুনতহে উত্তৰ-পূৰ্বাঞ্চলত দক্ষিণ-পশ্চিম মৌচুমীয়ে প্ৰৱেশ কৰিব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

০০০০

ৰাজ্য চৰকাৰেৰ এখন অধিসূচনা যোগে ২০২৫-২৬ শিক্ষাবৰ্ষত পেৰামেডিকেল ডিগ্ৰী আৰু ডিপ্লমা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে প্ৰৱেশিকা পৰীক্ষাৰ তাৰিখ ঘোষণা কৰিছে। গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, বৰপেটা, তেজপুৰ, ডিফু, লখিমপুৰ, নগাওঁ, কোকৰাঝাৰ, নলবাৰী, ধুবুৰীৰ পৰীক্ষাকেন্দ্ৰসমূহত অহা ৬ জুলাইত প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত হ'ব। প্ৰৱেশিকা পৰীক্ষাৰ প্ৰৱেশ পত্ৰ অনলাইনযোগে ২৫ জুন তাৰিখৰ পৰা শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ ৱেৱছাইটত উপলব্ধ হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ চৰকাৰী তথা বেচৰকাৰী সকলো শিক্ষানুষ্ঠানত পেৰামেডিকেল পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে এই প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো জৰুৰী।

০০০০

শিৱসাগৰৰ দিচাংমুখ লিগিৰীবাৰীত আজিৰ পৰা ৪৫ দিনীয়া কাৰ্যসূচীৰে হস্ততাত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰনালয়ৰ অধীনৰ লাহদৈগড়ৰ কেন্দ্ৰীয় মূগা-এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু শিৱসাগৰৰ এৰী-মূগা কৃষক উৎপাদক কোম্পানীৰ সহযোগত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত অঞ্চলটোৰ ২৯ গৰাকী শিপিনীক হস্ততাঁত বস্ত্ৰশিল্পৰ বয়ন, প্ৰাকৃতিক ৰঙৰ ব্যৱহাৰ আৰু চানেকি প্ৰস্তুতকৰণকে ধৰি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সমল ব্যক্তি হিচাপে ৰবিনা গাম আৰু জ্ঞান টায়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব।

০০০০

ৰঙিয়া আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি ৰঙিয়া সাহান পথৰ পৰা মনোজ সিং নামৰ এজন লোকক গাঞ্জাসহ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত লোকজনৰ পৰা প্ৰায় ৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। গ্ৰেপ্তাৰ কৰা লোকজন ওদালগুৰিৰ ফোহাবাৰী গাওঁৰ বাসিন্দা বুলি জানিব পৰা গৈছে।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰী জিলা প্ৰশাসনৰ বিষয়াবৰ্গৰ সৈতে নলবাৰী অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্যৰ বুজ লয়। তেওঁ চলিত বছৰৰ শেষ ভাগলৈ মহাবিদ্যালয়খন উদ্বোধন কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে মহাবিদ্যালয়খনে জিলাখনৰ শিক্ষাখণ্ডৰ এটা বহুদিনীয়া অভাৱ পূৰণ কৰিব বুলি মন্তব্য কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

সমাপ্ত